# দৰিদ্ৰৰ বাবে সাহায্য হিচাপে চি এছ্ ঘোষ, এফ আই টি আৰু এন ই এফ আই টিৰ ৫০ কোটি টকা

গুৱাহাটী, ৬ জুলাই ঃ নাৰী সবলীকৰণ আৰু দৰিদ্ৰতা নিবাৰণৰ লক্ষ্যৰে ২০০১ চনত চন্দ্ৰশেখৰ ঘোষে এটা এ জি অ হিচাপে বন্ধন বেংকৰ আৰম্ভ কৰিছিল। ইয়াৰ বাবে প্ৰতিষ্ঠানটোৱে উপাৰ্জনমুখী কাৰ্যাৱলীৰ উদ্দেশ্যে পিছপৰা সম্প্ৰদায়ৰ মহিলাসকলক ক্ষুদ্ৰঋণ প্ৰদান কৰিছিল। সময়ৰ লগে লগে এন জি অটোৱে অভিযানৰ সীমাৰ পৰিবৰ্ধন ঘটালে আৰু পিছপৰা সম্প্ৰদায়ৰ উন্নয়নমূলক পৰিকল্পনাৰ বাবে ফাইনেন্সিয়েল ইনক্লুজন ট্ৰাষ্ট (এফ আই টি) আৰু নৰ্থ-ইষ্ট ফাইনেন্সিয়েল ইনক্লুজন ট্ৰাষ্ট (এন ই এফ আই টি) নামৰ দুটা ন্যাস মুকলি কৰিলে। ২০১৫ চনত বন্ধন বেংক গঠিত হ'ল, তেতিয়াৰ এফ আই টি আৰু এন ই এফ আই টিয়ে বেংকটোৰ প্ৰমোটাৰৰ ভূমিকা পালন কৰিলে। দেশ বৰ্তমান অভাৱনীয় সংকটৰ সন্মুখীন হৈছে আৰু মহামাৰীৰ লগতে ইয়াৰ প্ৰতিক্ৰিয়াই বহুতকে প্ৰভাৱিত কৰিছে। বৰ্তমান এফ আই টি আৰু এন ই এফ আই টিৰ সৈতে ব্যক্তিগত সামৰ্থ্যৰে চি এছ ঘোষে পিছপৰা সম্প্ৰদায়ৰ খাদ্যৰ প্ৰয়োজন পূৰণৰ চেষ্টা চলাইছে। একেসময়তে এই তিনিওৱে বিভিন্ন ৰাজ্য চৰকাৰলৈ ২৫ কোটি টকাৰ সাহায্য আগবঢ়াইছে। পি এম-কেয়াৰ্ছ পুঁজিলৈয়ো ২৫,০১,০০,০০১ টকাৰ বৰঙনি আগবঢ়াইছে। প্ৰতিটো পৰিয়ালৰ ১৫ দিনৰ খাদ্যৰ প্ৰয়োজন পূৰণ কৰিবলৈ ১,০০০ টকা নিৰ্ধাৰণ কৰি এই ৫০,০১,০০,০০০ টকা দেশৰ মুঠ ৫ লাখ পৰিয়ালৰ সহায়ৰ বাবে প্ৰদান কৰা হৈছে।